PG EVEN SEMESTER EXAMINATION, 2023

ASSAMESE

2nd Semester

COURSE NO. ASMALIF – 555

(North East India Studies)

Full Marks : 70
Pass Marks : 28

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer all the questions

Unit – I

১) ‘প্ৰাগজ্যোতিষপুৰ’, ‘কামৰূপ’, আৰু ‘অসম’ – এই নামকেইটাৰ উৎপত্তি সম্পৰ্কীয় মতবাদ সমূহ উল্লেখ কৰি ‘প্ৰাগজ্যোতিষপুৰ’ আৰু ‘কামৰূপ’ৰ প্ৰসিদ্ধি সম্পৰ্কে লিখা। ৭+৭=১৪

অথবা

২) ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ এক চমু পৰিচয় দাঙি ধৰি এই অঞ্চলত বাস কৰা লোকসকলৰ মাজত থকা নৃগোষ্ঠীগত আৰু সাংস্কৃতিক সম্বন্ধ বিচাৰ কৰা। ৪+৪+৬=১৪

(Turn Over)

Unit – II

৩) অসমৰ মানুহৰ নৃগোষ্ঠীগত পৰিচয় দাঙি ধৰি ভিন্ন সময়ত ভিন্ন পথেৰে এই ভূখণ্ডলৈ ঘটা নৃগোষ্ঠীয় প্ৰব্ৰজন সম্পৰ্কে এক আলোচনা আগবঢ়োৱা। ৬+৮=১৪

অথবা

৪) 'কিৰাত' আৰু 'কৈৰাতজ ধৰ্ম' বুলিলে কি বুজা? অসমীয়া সংস্কৃতিলৈ অষ্ট্ৰিক সকলৰ অৱদান বিচাৰ কৰি এক নিবন্ধ যুগুত কৰা। ২+২+১০=১৪

Unit – III

৫) 'জনজাতি'ৰ সংজ্ঞা দি ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় সমাজৰ সাধাৰণ বৈশিষ্ট্যৰাজি উদাহৰণসহ দাঙি ধৰা।

৪+১০=১৪

অথবা

৬) তলৰ যিকোনো এটা জনজাতিৰ নৃগোষ্ঠীগত পৰিচয়, বাসভূমি, পৰিয়াল ব্যৱস্থা, সমাজ ব্যৱস্থা, খাদ্যাভ্যাস আৰু উৎসৱ-পাৰ্বন সামৰি এক নিবন্ধ যুগুত কৰা। ১৪

ক) তিৱা

খ) খামটি

গ) গাৰো

Unit – IV

৭) 'জাতি-জনজাতিৰ অবিচ্ছিন্ন ধাৰা' বুলিলে কি বুজা? 'সোনোৱাল কছাৰী' অথবা 'হাজং' সকলৰ সমাজ-সংস্কৃতিত জাতি-জনজাতিৰ অবিচ্ছিন্ন ধাৰা কেনেদৰে বৰ্তি আছে, আলোচনা কৰা।

৪+১০=১৪

অথবা

৮) উত্তৰ-পূৰ্বাঞ্চলৰ সংযোগী ভাষা হিচাপে 'নেফামিজ' অথবা 'নাগামিজ' ভাষাৰ পৰিচয় আগবঢ়াই এই ভাষাই উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐক্যত কিদৰে সহায় কৰিছে চমুকৈ লিখা।

১০+৪=১৪

Unit – V

৯) 'মিছিং' অথবা 'কাৰবি' জনজাতিৰ লোকসাহিত্য সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ১৪

অথবা

১০) উত্তৰ-পূৰ্বাঞ্চলৰ বিশিষ্ট লেখক হিচাপে ৰংবং তেৰাং আৰু য়েছে দৰজে ঠংচিব পৰিচয় দাঙি ধৰা। ৭+৭=১৪

★★★